জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩০৮/২০২১

# উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে শুভ উদ্বোধন কৰিলে মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰ

## এই কেন্দ্ৰই অসমৰ জীৱনধাৰা আৰু ঐতিহ্যক প্ৰতিফলিত কৰিব

**দিছপুৰ, ৩ অক্টোবৰ ঃ** উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণৰ অংশ হিচাপে আজি উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ পানবজাৰত মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰৰ শুভ উদ্বোধন কৰে।

উল্লেখ্য যে ব্ৰহ্মপুত্ৰ নদীৰ সমীপত পানবজাৰৰ বৰফুকনৰ টিলাৰ শীৰ্ষত থকা পুৰণি উপায়ুক্তৰ বাংলোটো ৰাজ্য চৰকাৰে মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছে। ১৮২৬ চনত ব্ৰিটিছে অসম অধিকাৰ কৰিছিল আৰু ১৮৩৯ চনত গুৱাহাটীৰ বাবে উপায়ুক্তৰ পদটো সৃষ্টি কৰা হয়। সেই সময়ত প্ৰথম উপায়ুক্ত জেমছ মিথিৰ বাবে কোনো উপযুক্ত আৱাস গৃহ নাছিল। ব্ৰহ্মপুত্ৰৰ পাৰত বৰফুকনৰ টিলাক নিৰ্বাচিত কৰাৰ আগতে কেইবাটাও স্থানত জৰীপ কৰা হৈছিল আৰু অৱশেষত বৰফুকনৰ টিলাত উপায়ুক্তৰ আৱাস গৃহ হিচাপে বাছনি কৰা হয়।

স্বাধীনতাৰ পিছত ২০১১ চনলৈকে এইটো উপায়ুক্তৰ বাংলো হৈ আছিল। ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট ডেভলপমেণ্ট আঁচনিৰ অধীনত এটা প্ৰকল্প গ্ৰহণ কৰি ইয়াক ঐতিহ্য সংগ্ৰহালয়লৈ ৰূপান্তৰিত কৰা হয়।

এই ঐতিহ্য কেন্দ্ৰটোত ঐতিহাসিক নাও, এটা এম্ফিথিয়েটাৰ, এখন প্ৰদৰ্শনী স্থান, এটা কেফেটেৰিয়া আদিৰ দৰে ঐতিহ্যপূৰ্ণ সমল সমূহ প্ৰদৰ্শন কৰা হৈছে। অন্যান্য আকৰ্ষণ সমূহৰ ভিতৰত আছে পৰম্পৰাগত মাছ ধৰা সঁজুলি, গুৱাহাটী মহানগৰ আৰু নদী পৰিবহণৰ ইতিহাস সম্বলিত আলোকচিত্ৰ আৰু নিদৰ্শন। এই ঐতিহ্য কেন্দ্ৰত বস্ত্ৰ ডিজাইন, জাতিগত আৰ্হি আৰু থলুৱা বাদ্য যন্ত্ৰ ৰখা হৈছে।

প্ৰনিধানযোগ্য যে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত উপায়ুক্তৰ বাংলোকে ধৰি সমগ্ৰ টিলাটো মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰলৈ ৰূপান্তৰিত কৰি এই ঐতিহ্য ক্ষেত্ৰটো অতুলনীয় নদী ব্ৰহ্মপুত্ৰৰ কিম্বদন্তি আৰু শৌৰ্যৰ নামত উৎসৰ্গা কৰা হৈছে।

উপ-ৰাষ্ট্ৰপতিগৰাকীৰ উত্তৰ পূব ভ্ৰমণৰ প্ৰথম কাৰ্যসূচী হিচাপে আজি মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এই সংগ্ৰহালয়ত বিভিন্ন শাখা যেনে আৰ্ট গেলাৰী, চেন্ট্ৰেল হল ইত্যাদি পৰিদৰ্শন কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এই উপলক্ষে ‘ফৰএভাৰ গুৱাহাটী’ শীৰ্ষক এখন কফি টেবুল কিতাপো উন্মোচন কৰে।

আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘল, সাংসদ কুইন ওজা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**

**০৩-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in